**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-04-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত আবেদন নকৰাকৈ অসমত আধাৰ নম্বৰ উলিওৱা লোকৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে অতি শীঘ্ৰে অভিযান চলাব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। অহা দুই-চাৰি দিনতে অসমত এই অভিযান আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি এই কথা সদৰি কৰি কয়, যে বহু লোকে এন আৰ চিৰ সময়ত আবেদন কৰা নাছিল যদিও তেওঁলোকে অসমত আধাৰ কাৰ্ড লৈছিল। এনে লোকসকলৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে ব্যৱস্থা ল'ব বুলিও তেওঁ কয়। আনহাতে যোৱা কিছু বছৰত অসমত প্ৰৱেশ কৰা অবৈধ নাগৰিকসকলক উলিয়াই পঠিওৱাৰ বাবে ব্যৱস্থা ল'বলৈ ৰাজ্য চৰকাৰে পৰিকল্পনা যুগুত কৰিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে। সামাজিক মাধ্যমত ভুৱা একাউণ্ট চলাই থকা লোকসকলৰ বিৰুদ্ধেও চৰকাৰে চোকা দৃষ্টি ৰখা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এনে ভুৱা একাউণ্ট দেখিলে ৰাইজক আৰক্ষীক অৱগত কৰিবলৈ আহ্বান জনাইছে। ইতিমধ্যে আৰক্ষীক এই বিষয়ে কঠোৰ ব্যৱস্থা ল'বলৈ চৰকাৰে নিৰ্দেশ দিয়া বুলিও মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে।

oooooooo

য়াণ্ডাবু সন্ধিৰ ২০০ বছৰ পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি নৰ্থ লখিমপুৰ কলেজত দুদিনীয়াকৈ আয়োজিত আলোচনাচক্ৰৰ সামৰণি পৰিছে। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব সঞ্চালকালয়ৰ সহযোগত আয়োজিত য়াণ্ডাবু সন্ধি আৰু ঊনবিংশ শতিকাৰ অসম শীৰ্ষক আলোচনাচক্ৰত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক নিৰোদ বৰুৱাই ভাষণ দিয়ে। এই অনুষ্ঠানত চামচুদ্দিন চিচিৰে প্ৰণয়ন কৰা 'বাংলাদেশেৰ অসমীয়া' আৰু শ্বেখ মকবুল ইছলামে প্ৰণয়ন কৰা 'মিছিং ফ্কলৰ'গ্ৰাফী'কে ধৰি ৪ খন গ্ৰন্থ উন্মোচন কৰা হয়। এই আলোচনাচক্ৰত ম্যানমাৰ, বাংলাদেশ আৰু থাইলেণ্ডৰ অধ্যাপকে অংশগ্ৰহণ কৰে।

ooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধাৰাসাৰ বৰষুণ আৰু ধুমুহাৰ ফলত বিস্তৰ ক্ষতি হয়। ডিব্ৰুগড় জিলাৰ চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত মদাৰখাট মৌজাত অহা ধাৰাসাৰ বৰষুণ আৰু ধুমুহাৰ ফলত ভালেমান বাসগৃহ, বিদ্যালয়, নামঘৰকে ধৰি বহু সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হৈছে। মদাৰখাটৰ হাতখোলা, হাবিচুক, ৰাঙলিটিং, টিমনা, তামুলবাৰী চাহ বাগিচাত ধুমুহাই ঘৰ-দুৱাৰ ভাঙি পেলোৱাৰ লগতে প্ৰকাণ্ড গছ উভালি পৰে। প্ৰচণ্ড ধুমুহাৰ ফলত খুঁটা বাগৰি বিদ্যুৎ সেৱাও ব্যাহত হৈ পৰে। তদুপৰি ৰবি শস্যৰ বিস্তৰ ক্ষতি হয়। গাঁওপ্ৰধান সকলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শনৰ অন্তত ৰাজহ চক্ৰ বিষয়া তথা জিলা প্ৰশাসনৰ ওচৰত ক্ষয়-ক্ষতিৰ পৰিমাণ দাখিল কৰিছে।

oooooo

তিৱা জনজাতীয় ব'হাগ বিহুৰ অন্তিম দিনা কালি গোভা ৰজা আৰু পশ্চিম নগাঁও ৰজাই সৈন্য-সামন্তৰ সৈতে ঢাল-তৰোৱালেৰে প্ৰতীকি যুদ্ধত অৱতীৰ্ণ হয়। ৰজাৰ এই প্ৰতীকি যুদ্ধ উপভোগ কৰিবলৈ অগণন লোকৰ সমাগম হয়। গোভা ৰজাৰ ব'হাগ বিহুৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে জাগীৰোডৰ বৰপামত অনুষ্ঠিত

গোসাঁই মেলাত এই প্ৰতীকি যুদ্ধ অনুষ্ঠিত হৈ আহিছে। দুই ৰাজ্যৰ ৰজাই নিজ নিজ পাৰিষদবৰ্গৰ সৈতে তিৰা সকলৰ যাদুৰা গোসাঁইক নামঘৰৰ পৰা কান্ধত তুলি মেলাথলীত উপস্থিত হয়। ইয়াৰ পাছত পৰম্পৰাগত সাজপাৰ পৰিধান কৰি হাতত ঢাল-তৰোৱাল লৈ দুই ৰজাৰ পাৰিষদবৰ্গই ৰণনৃত্য কৰে।

০০০০০০

তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে কালি কৰ্দৈগুৰি গাঁও পঞ্চায়ত এলেকাৰ খহনীয়া প্ৰৱণ অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। জিলা আয়ুক্তগৰাকীয়ে খহনীয়াত ক্ষতিগ্ৰস্ত ৮টা পৰিয়ালৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকক পুনৰ সংস্থাপন দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালকেইটাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজহচক্ৰ বিষয়াক নিৰ্দেশ দিয়ে। মথাউৰি মেৰামতি আৰু খহনীয়া ৰোধৰ কাম শীঘ্ৰেই আৰম্ভ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰত কালি নিশা ডায়েৰী সদৃশ ৰোগত একেখন গাঁৰৰ দুগৰাকী মহিলাৰ মৃত্যু হয়। এই ৰোগত আক্ৰান্ত হৈ বৰ্তমান সৰুপথাৰ চিকিৎসালয়ত ৮ গৰাকী লোক চিকিৎসাধীন হৈ আছে। উন্নত চিকিৎসাৰ বাবে কেইবাগৰাকী ৰোগীক গোলাঘাট চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। এই ৰোগ প্ৰতিৰোধৰ বাবে সৰুপথাৰৰ ছেৰাগুৰি ঔটেঙাতল গাঁৰত স্বাস্থ্য বিভাগে এটা চিকিৎসা শিৰিৰ স্থাপন কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৬ উইকেটত পৰাজিত কৰে। দেলহী কেপিটেলছে বান্ধি দিয়া ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৮ অভাৰ আৰু ৩টা বলতেই ৪ উইকেটৰ বিনিময়ত ১৬৫ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়। দলৰ হৈ ক্ৰুণাল পাণ্ডিয়াই ৪৭টা বলত সৰ্বাধিক ৭৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। বিৰাট কোহলীয়ে ৫১ ৰানৰ বৰঙণি আগবঢ়ায়। দেলহী কেপিটেলছৰ হৈ অক্ষৰ পেটেলে দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। দেলহী কেপিটেলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬২ ৰাণ কৰে। দেলহীৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৪১ ৰান কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ ভুৱনেশ্বৰ কুমাৰে ৩টা উইকেট দখল কৰে। ক্ৰুণাল পাণ্ডিয়াক প্লেয়াৰ অৱ মেচ ঘোষণা কৰা হয়।

কালিৰ আন এখন খেলত মুম্বাই ইণ্ডিয়ানছে লক্ষ্নৌ ছুপাৰ জায়ণ্টছক ৫৪ ৰানত পৰাস্ত কৰে। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ২১৬ ৰানৰ লক্ষ্যৰে খেলিবলৈ লোৱা লক্ষ্নৌ ছুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৬১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছেৱাই মানসিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

সুদক্ষ খেলুৱৈ, শ্ৰমিক নেতা তথা শিৱসাগৰ জিলা অনুসূচীত জাতি পৰিষদৰ সভাপতি বীৰেন দাসৰ কালি ডিব্ৰুগড়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৭ বছৰ।

০০০০০০০

**সমাপ্ত**